No. of Printed Pages—3

482 (AEM09)

[20-HBGPOW–D5S(O)21A]

BA 5th Semester (Old) Exam., 2020 (W)

ASSAMESE

[BAE M–09]

(পালি-প্রাকৃত অধ্যয়ন)

Full Marks : 80

Time : 3 hours

The figures in the margin indicate full marks for the questions

1. তলৰ প্ৰশ্নসমূহৰ চমু উত্তৰ লিখক : 1×8=8

(a) শব্দসন্ধিক বহির্সন্ধি বুলিলে অক্ষৰ সন্ধিক কি বুলি কোৱা হয় ?

(b) প্ৰাকৃত ভাষাত নামধাতু গঠন কেনেদৰে হয় ? উদাহৰণ দিয়ক ।

(c) জাতকৰ মূল লক্ষ্য কি ?

(d) জৈনধৰ্মী সাহিত্যৰ ভাগ কেইটা আৰু কি কি ? উল্লেখ কৰক ।

(e) 'বিনয় পিটক'ৰ শেষ বিভাগটোৰ নাম কি ?

(f) 'গাহাসত্তসঈ' কোন ভাষাত ৰচিত ?

(g) শ্ৰাৱক কাক বোলে ?

(h) শীল বুলিলে কি বুজে ?

2. তলৰ প্ৰশ্নসমূহৰ উত্তৰ লিখক (প্ৰতিটো প্ৰায় *৫০* শব্দৰ ভিতৰত) : 2×8=16

(a) পালি ভাষাৰ স্বৰধ্বনিসমূহৰ অনিয়মিত পৰিৱৰ্তন বুলিলে কি বুজায়? কেইটামান প্ৰচলিত স্বৰধ্বনিৰ অনিয়মিত পৰিৱৰ্তনৰ উদাহৰণ দাঙি ধৰক।

(b) পালি ভাষাৰ বিভক্তিৰ তালিকাখন উল্লেখ কৰক।

(c) প্ৰাকৃত ভাষাৰ একক ব্যঞ্জনৰ পৰিৱৰ্তনৰ বৈশিষ্ট্য উদাহৰণেৰে সৈতে উল্লেখ কৰক।

(d) প্ৰাকৃত ভাষাৰ 'ল'কাৰকেইটাৰ উল্লেখ কৰি যি কোনো এটাৰ উদাহৰণ দাঙি ধৰক।

(e) প্ৰাকৃত ভাষাৰ অসমাপিকাৰ ৰূপ কেইটা আৰু কি কি? যি কোনো এটা ৰূপৰ গঠন সম্পৰ্কত উদাহৰণ দিয়ক।

(f) প্ৰাকৃত ভাষাৰ 'ঐ' আৰু 'ঔ' কিদৰে উচ্চাৰিত হয়, উদাহৰণ দি বুজাই দিয়ক।

(g) কুশল আৰু অকুশল কৰ্ম কেইবিধ? উল্লেখ কৰক।

(h) 'সুত্ত পিটক' মানে কি বুজে?

3. তলৰ যি কোনো **পাঁচটা** শ্লোক আৰু গাথাসমূহৰ অসমীয়া অৰ্থ লিখি চমুকৈ ব্যাখ্যা কৰক। এইসমূহ কোন কোন পুথিৰ অন্তৰ্গত, লিখক (প্ৰতিটো প্ৰায় *১০০* শব্দৰ ভিতৰত) : 4×5=20

(a) পমাদং অপ্পমাদেন যথা নুদতি পণ্ডিতো।
পঞ্ঞাপাসাদমাৰুয্হ অসোকো সোকিনং পজং।
পৰ্ব্বতট্ঠো'ৱ ভুম্মট্ঠে ধীৰো বালে অৱেক্খতি॥

(b) পুপ্ফানি হেৱ পচিনন্তং ব্যাসত্তমনসং নৰং।
অতিত্তং যেৱ কামেসু অন্তকো কৰুতে বসং॥

(c) বালকঈ কইৱাও নিব্ভৰৱাঅস্স তহ উবজ্ঝাও।
ইঅ জস্স পৰম্পৰা অপ্পা মাহপ্পামাৰূঢ়ো॥
সো অস্স কঈ সিৰি ৰাঅসেহৰো তিহুঅনং পি ধৱলন্তি।
হৰিনঙ্কপাড়িসিদ্ধীএ নিক্কলঙ্কা গুণা জস্সা॥

(Continued)

(d) সো সট্টও ত্তি ভগ্গই দূৰং জোনাডিআই অনুহৰই।
কিং উন পৱেসঅ বিক্ খংভকাইং ন কেৱলং দীসন্তি॥

(e) অৰহট্ঠয়-সক্কয়-পাইয়ং মি পেসাইয়ংমি ভাসাএ।
লক্খণ ছন্দাহৰণে সুকইত্তং ভূসিয়ং জেহিঁ॥

(f) তহ তনও কুল কমলো পাইঅ কব্ৱেসু গীয় বিসয়েসু।
আদ্দহমান পসিদ্ধো সংনেহ ৰাসয়ং ৰইয়ং॥

4. তলৰ যি কোনো **দুটা** প্ৰশ্নৰ উত্তৰ লিখক (প্ৰতিটো প্ৰায় *৩০০* শব্দৰ ভিতৰত) : 8×2=16

(a) প্ৰাকৃতৰ ধৰ্ম-নিৰপেক্ষ সাহিত্য সম্পৰ্কে এটি প্ৰবন্ধ যুগুত কৰক।

(b) 'অপ্পমাদ বগ্গ'ৰ মূল কথাখিনি নিজৰ ভাষাত বৰ্ণনা কৰক।

(c) 'কৰ্পূৰমঞ্জৰী' সট্টকখনৰ ভাষাতাত্ত্বিক বৈশিষ্ট্যসমূহ উদাহৰণ দি আলোচনা কৰক।

5. তলৰ যি কোনো **দুটা** প্ৰশ্নৰ উত্তৰ লিখক (প্ৰতিটো প্ৰায় *৪০০* শব্দৰ ভিতৰত) : 10×2=20

(a) পালি ভাষাৰ স্ৱৰধ্বনিৰ তালিকাখন উল্লেখ কৰি এই স্ৱৰধ্বনিসমূহৰ পৰিৱৰ্তন কিদৰে হৈছে, উদাহৰণ দি আলোচনা কৰক।

(b) ৰূপতত্ত্ব কাক বোলে? প্ৰাকৃত ভাষাৰ ৰূপতত্ত্বৰ প্ৰধান প্ৰধান ৰূপকেইটা উল্লেখ কৰি আলোচনা আগবঢ়াওক।

(c) দূতকাব্য হিচাপে আব্দুল ৰহমান ৰচিত 'সন্দেশ ৰাসক'ৰ আলোচনা কৰক।

★ ★ ★